# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-JULY-2026
**Time :** 6-45 PM

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। জাপানী ভাষাৰ প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক পৰীক্ষাৰ পূৰ্বে ১ লাখ টকাকৈ প্ৰদান কৰা হ'ব বুলি ৰাজ্য চৰকাৰৰ প্ৰকাশ।

২। কাইলৈৰ পৰা ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন।

৩। ৰাজ্যত ১ কোটি উচ্চ উৎপাদনক্ষম উদ্যানশস্যৰ পুলি বিতৰণৰ বাবে কৃষি বিভাগৰ লক্ষ্য নিৰ্ধাৰণ।

৪। ভিবি জি ৰামজী আঁচনিৰ অধীনত গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ, অসমৰ বাবে প্ৰথম কিস্তিত ৬৩০ কোটি ৯৬ লাখ টকা মুকলি। **আৰু**

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত আজি ব্ৰাজিল, নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

চি এম ফ্লাইট শীৰ্ষক পাঠ্যক্ৰম গ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলৰ ভিতৰত জাপানী ভাষাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি থকাসকলক পৰীক্ষাৰ পূৰ্বেই ১ লাখ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শিক্ষাৰ্থীসকলৰ সৈতে আজি মত-বিনিময় কৰাৰ অন্তত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰশিক্ষাৰ্থীসকলে প্ৰথম তিনি মাহৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ পাছত ৩০ হাজাৰ টকাকৈ লাভ কৰিব। পৰৱৰ্তী ছমাহত দ্বিতীয়বাৰলৈ ৩০ হাজাৰ টকা লাভ কৰাৰ লগতে পাছৰ ৯ মাহত বাকী ৪০ হাজাৰ টকা অৰ্থাৎ মুঠ ১ লাখ টকা তেওঁলোকে লাভ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে জাপানৰ ভিজা লাভ কৰাৰ পাছত এই প্ৰশিক্ষাৰ্থীসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। তেওঁলোকৰ নিযুক্তি কেৱল জাপানতেই সীমাবদ্ধ হৈ নাথাকে বুলি প্ৰকাশ কৰি তেওঁ কয় যে প্ৰশিক্ষাৰ্থীসকলে ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত নিযুক্তিৰ সুবিধা লাভ কৰিব। দেশত বৰ্তমান এহেজাৰ ৫০০ৰো অধিক জাপানী প্ৰতিষ্ঠানে কাম কৰি আছে বুলি উল্লেখ কৰি তেওঁ কয় যে অহা দুই-তিনি বছৰত আমাৰ ৰাজ্যতো জাপানী প্ৰতিষ্ঠানৰ কাম-কাজ আৰম্ভ হ'ব। ৰাজ্যৰ যুৱ চামৰ বাবে আন্তৰ্জাতিক পৰ্যায়ত নিজৰ প্ৰতিভা বিকাশ কৰাৰ সুযোগ কঢ়িয়াই অনাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ইতিবাচক মনোভাৱ প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যৰ গ্ৰামাঞ্চলসমূহৰ পৰা অহা বহু শিক্ষাৰ্থীয়ে আজিলৈ কেতিয়াও বিদেশ যাত্ৰা কৰা নাই। কিন্তু এই পদক্ষেপৰ জৰিয়তে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় সুযোগ লাভ কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সম্প্ৰতি ১৪০ গৰাকী শিক্ষাৰ্থীয়ে এই আঁচনিৰ অধীনত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। পৰৱৰ্তী পৰ্যায়ত এই আঁচনি ব্যাপকভাৱে ৰূপায়ণৰ চিন্তা-চৰ্চা কৰা হৈছে বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

**বাইট-মুখ্যমন্ত্ৰী**

০০০০০

ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন কাইলৈৰ পৰা আৰম্ভ হ'ব। ২১ দিনীয়া কাৰ্যসূচীৰে এই অধিৱেশন চলিব। এই অধিৱেশনত বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ১০ জুলাইত ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰিব। অধিৱেশনৰ সময়ছোৱাত মুঠ ১৬ খন বৈঠক হ'ব। অহা ৩১

জুলাইত বাজেট অধিৱেশনৰ অন্ত পৰিব। কাইলৈৰ পৰা হ'বলগীয়া বাজেট অধিৱেশনৰ প্ৰশ্নোত্তৰ কালৰ প্ৰতি লক্ষ্য ৰাখি বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি পৰিৱেশ আৰু বন বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে সদনত মুখ্যমন্ত্ৰী, অধ্যক্ষ, উপাধ্যক্ষ তথা বিৰোধী দলপতিৰ বক্তব্যৰ সময়ত বিধায়কসকলে হস্তক্ষেপ কৰিব নোৱাৰিব বুলি বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে প্ৰকাশ কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী, মন্ত্ৰীৰ ভাষণৰ পাছতহে বিধায়কসকলে প্ৰশ্ন কৰিব পাৰিব। সৰ্বদলীয় বৈঠকত গ্ৰহণ কৰা এই সিদ্ধান্ত সন্দৰ্ভত অধ্যক্ষগৰাকীয়ে আজি সংবাদমেলযোগে এই কথা অৱগত কৰে।

০০০০০

অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে বিধানসভাৰ কাৰ্য সম্বন্ধীয় প্ৰক্ৰিয়াত বড়ো ভাষাৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰাৰ কোনো প্ৰস্তাৱ গ্ৰহণ কৰা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত শৰ্মাই আজি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে বড়ো ভাষা অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু স্বকীয় পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ। এই ভাষাই বড়ো সমাজৰ ইতিহাস, পৰম্পৰা আৰু আশা-আকাংক্ষা বহন কৰাৰ লগতে ৰাজ্যৰ বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক ঐক্য অধিক সমৃদ্ধ কৰিছে বুলি তেওঁ কয়। ৰাজ্য চৰকাৰ বড়ো ভাষাৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভাষাটোৰ বিকাশ আৰু ভৱিষ্যৎ প্ৰজন্মৰ মাজতো ভাষাটোৰ স্বকীয়তা অটুট ৰাখিবলৈ ৰাজ্য চৰকাৰে সকলো ধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। ইপিনে অসম বিধানসভাত এতিয়াৰে পৰা অসমীয়া, ইংৰাজী, বড়ো ভাষাৰ লগতে হিন্দী ভাষা প্ৰচলনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিধানসভাৰ সাধাৰণ কাৰ্য উদ্দেশ্য সমিতিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সন্দৰ্ভত বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এইদৰে কয়—

**বাইট (ৰণজিৎ কুমাৰ দাস)**

০০০০০

ৰাজ্যৰ কৃষি বিভাগে সমগ্ৰ ৰাজ্যতে ১ কোটি উচ্চ উৎপাদনক্ষম উদ্যানশস্যৰ পুলি বিতৰণৰ অভিলাষী লক্ষ্য স্থিৰ কৰিছে। কৃষিমন্ত্ৰী পীযূষ হাজৰিকাই আজি গুৱাহাটীৰ কাহিকুছিস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰত গছপুলি আৰু মাহজাতীয় শস্যৰ বীজ তথা ৰোপণ সামগ্ৰী বিতৰণ কৰি এই বিষয়ে উল্লেখ কৰে। কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে গৱেষণা কেন্দ্ৰৰ চৌহদত এটা নাৰিকলৰ পুলি ৰোপণ কৰে। তেওঁ কয় যে একেখিনি মাটিতে পৰিকল্পিতভাৱে সমান্তৰালকৈ নাৰিকল, জালুক, আনাৰস, ড্ৰেগন ফ্ৰুইট আদিৰ দৰে লাভজনক শস্যৰ মিশ্ৰিত খেতি কৰিলে কৃষক পৰিয়ালসমূহ অৰ্থনৈতিকভাৱে লাভান্বিত হ'ব। মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ যুৱ প্ৰজন্মক কম দৰমহাৰ সাধাৰণ চাকৰিৰ বাবে বহিঃৰাজ্যলৈ ঢাপলি মেলাৰ পৰিৱৰ্তে বাণিজ্যিক কৃষিক আঁকোৱালি ল'বলৈ আহ্বান জনায়। কম উৎপাদনৰ বাবে কেৰ্কেটুৱাৰ উপদ্ৰৱ বা মোবাইল টাৱাৰৰ বিকিৰণৰ দৰে অপ্ৰমাণিত কাৰণসমূহক জগৰীয়া কৰাৰ সলনি প্ৰতিটো সমস্যাৰ ব্যৱহাৰিক সমাধান বিচাৰি উলিয়াবলৈ তেওঁ আহ্বান জনায়। কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে চৰকাৰৰ সংকল্পৰ কথা দোহাৰি মন্ত্ৰীগৰাকীয়ে সৰ্বাধিক খুচুৰা মূল্যতকৈ অধিক দৰত সাৰ বিক্ৰী কৰা বিক্ৰেতাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি সকীয়াই দিয়ে। এই বছৰ সঠিক সময়ত ধানৰ বীজ বিতৰণ কৰাৰ ফলত স্থানীয় কৃষকসকল উপকৃত হৈছে বুলি তেওঁ উল্লেখ কৰে। আজি অনুষ্ঠানটিত মন্ত্ৰীগৰাকীক এশ গৰাকী কৃষকৰ মাজত আনুষ্ঠানিকভাৱে ফল-মূলৰ পুলি, মাটিমাহ আৰু মগুমাহৰ বীজ তথা স্প্ৰে মেচিন বিতৰণ কৰে।

**বাইট-পীযূষ**

মন্ত্ৰীগৰাকীয়ে কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত গ্ৰহণ কৰা এই পদক্ষেপে ৰাজ্যৰ কৃষকসকলৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে ৰাজ্যৰ কৃষি আৰু উদ্যান শস্য খণ্ডত অধিক শক্তিশালী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে ৰাজ্যত নাৰিকলৰ উৎপাদন বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ইতিমধ্যে বিশেষজ্ঞসকলৰ সৈতে সবিশেষ আলোচনা কৰিছে। সংবাদ মাধ্যমৰ আগত শ্ৰীহাজৰিকাই কয়, যে প্ৰতিবছৰে ৰাজ্যত নাৰিকল, তামোল, নেমু আদিৰ এক কোটিকৈ পুলি কৃষকসকলৰ মাজত বিতৰণ কৰা হ'ব বুলি তেওঁ অৱগত কৰে।

কমেও এগৰাকী ব্যক্তিক ১০ টাকৈ বিভিন্ন গছপুলি দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি অৱগত কৰে। ৰাজ্যত বৰ্তমান ২৪ লাখ ৫০ হাজাৰ পঞ্জীয়নকৃত কৃষকৰ ভিতৰত ১৮ লাখ ৬০ হাজাৰ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সুবিধা লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰালয়ে বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনি ভিবি জি ৰামজীৰ অধীনত অসমৰ বাবে প্ৰথম কিস্তি হিচাপে ৬৩০ কোটি ৯৬ লাখ টকা মুকলি কৰি দিছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে ভিডিঅ' কনফাৰেন্স ব্যৱস্থাৰে আয়োজিত অনুষ্ঠানত আজি এই ধনৰাশি মুকলি কৰি দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যসমূহলৈ মুঠ ২৫ হাজাৰ কোটি টকাৰ সাহায্য মুকলি কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে সদৰি কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে অসমৰ উন্নয়নক সদায়ে প্ৰাধান্য দি আহিছে। এই আৱণ্টনে অসমৰ গ্ৰাম্য কৰ্ম শক্তিক উৎসাহ দিয়াৰ লগতে গ্ৰাম্য পথ সংযোগ অধিক শক্তিশালী কৰি অৰ্থনৈতিক সুযোগ আৰু সৰ্বাত্মক বিকাশ নিশ্চিত কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে অসমবাসীৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহান আৰু কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত ভিডিঅ' কনফাৰেন্স ব্যৱস্থাৰে অনুষ্ঠিত বৈঠকত অংশগ্ৰহণ কৰি এই আঁচনিয়ে অসমৰ গ্ৰামাঞ্চলৰ উন্নয়নৰ নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভিবি জি ৰামজী আইনৰ অধীনত পৰৱৰ্তী ৫ বছৰত ২ লাখ ৮৬ হাজাৰ পঞ্চায়তত ৭ লাখ ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানে প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত কাইলৈ আৰু পৰহিলৈ ব্ৰীকছ ৰাষ্ট্ৰৰ মাদকদ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। গৃহ মন্ত্ৰালয়ৰ অধীনৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত আয়োজিত এই বৈঠকত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু ইয়াৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ব্ৰীকছৰ সদস্য ৰাষ্ট্ৰ আৰু দেশৰ মাদকদ্ৰব্য বিৰোধী সংস্থাৰ মুৰব্বী তথা জ্যেষ্ঠ বিষয়াসকলে মত প্ৰকাশ কৰিব। এই আলোচনাত মাদকদ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে চোৰাংচোৱাৰ তথ্য বিনিময় আৰু কাৰ্যকৰী সমন্বয় শক্তিশালী কৰা, সামৰ্থ বৃদ্ধি আৰু প্ৰতিষ্ঠানগত সহযোগিতা বৃদ্ধি আদি বিষয়ত গুৰুত্ব দিয়া হ'ব। বৈঠকত অংশগ্ৰহণকাৰীসকলে নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ ক্ষেত্ৰত দেখা দিয়া ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰকে ধৰি ন ন প্ৰত্যাহ্বান দূৰ কৰাৰ বিষয়েও আলোচনা কৰিব। ব্ৰীকছ ৰাষ্ট্ৰসমূহৰ মাজত মাদকদ্ৰব্যৰ সৰবৰাহক লৈ সৃষ্টি হোৱা সমস্যা নিৰ্মূল কৰাৰ বাবে উমৈহতীয়া ঘোষণা পত্ৰ গ্ৰহণেৰে এই বৈঠকৰ সামৰণি পৰিব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। এই প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যৰ অগ্ৰগতি ত্বৰান্বিত হ'ব বুলিও তেওঁ মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজধানী চহৰখনত ৰাজ্য চৰকাৰৰ অধীনস্থ সকলো বিভাগৰ কাম-কাজ একে স্থানতে সম্পন্ন কৰি প্ৰশাসনীয় সুচলতা বৃদ্ধিৰ উদ্দেশ্যে টুইন টাৱাৰ সংহত সঞ্চালকালয় ভৱন নিৰ্মাণৰ কাম-কাজ অব্যাহত আছে। তদুপৰি ক্ৰীড়া, চিকিৎসা, অতিথি সৎকাৰকে ধৰি অন্যান্য সুবিধাসমূহৰ বাবে সৰুসজাইত এটা বিশেষ নগৰীয়া কেন্দ্ৰ নিৰ্মাণৰ কামো অব্যাহত আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকল্পস্থলীসমূহ পৰিদৰ্শন কৰি সংশ্লিষ্ট বিষয়াসকলক সময়মতে কাম-কাজসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

জনসাধাৰণক ক্ষীপ্ৰতাৰে সহায় আগবঢ়াবলৈ ৰাজ্যত ২০০ খন মোবাইল থানা গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল যোগে প্ৰকাশ কৰে। কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সন্দৰ্ভত কয়,

যে এখন বাহন, এছ আই পৰ্যায়ৰ আৰক্ষীক লৈ মোবাইল থানা গঠন কৰা হ'ব। ডেৰগাঁৱত এটা নতুন কল চেণ্টাৰ নিৰ্মাণ কৰা হব বুলি তেওঁ কয়। জনসাধাৰণে ১১২ ত ফোন কৰি যিকোনো সমস্যাৰ অভিযোগ দিব পাৰিব। ২৪ ঘণ্টাই এই সেৱা সক্ৰিয় হৈ থাকিব বুলি তেওঁ কয়।

অসমৰ বাহিৰৰ পৰা অহা শিল, বালি ভৰ্তি বাহনে ৰাজ্য চৰকাৰক ১৫০ টকাকৈ মাচুল দিব লাগিব বুলি বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্য চৰকাৰৰ অনুমোদন অবিহনে নীতি নিয়মৰ মাজেৰে ক্ষুদ্ৰ উদ্যোগ স্থাপনতো কেবিনেট বৈঠকে অনুমোদন জনায়। ৩ বছৰৰ পাছত অনুমতি লব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ নিৰ্দেশৰ পাছতে জিলা জিলাই বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অবৈধ কাঠফলা মিলৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। গোৱালপাৰা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত হাদলাপাৰাত অভিযান চলাই বন বিভাগৰ দলে আজি এটা কাঠফলা মিলৰ লগতে প্ৰায় ৬০ হাজাৰ টকাৰ চেগুন কাঠৰ কুণ্ডা জব্দ কৰে। গোৱালপাৰা আঞ্চলিক বন বিষয়া পবিত্ৰ কুমাৰ ৰয়ৰ নেতৃত্বত হাদলাপাৰাৰ ঘন জংঘলৰ মাজৰ পৰা এই মিলটো জব্দ কৰা হয়। আঞ্চলিক বন বিষয়া পবিত্ৰ কুমাৰ ৰয়ে অভিযান সন্দৰ্ভত এইদৰে কয়।

**বাইট (পবিত্ৰ কুমাৰ ৰয়)**

উল্লেখযোগ্য যে এতিয়ালৈ জিলাখনৰ বন বিভাগে ২২টাকৈ অবৈধ ইটাভাটা ভাঙি পেলোৱাৰ লগতে দুটাকৈ বালি মহলৰ যন্ত্ৰাংশ জব্দ কৰে।

০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা ডেৰ বজাত হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত ব্ৰাজিল, নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ফ্ৰান্স আৰু মৰক্কো প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফ্ৰান্সে যোৱা নিশা ফিলাডেলফিয়াত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পাৰাগুৱেক ১-০ গ'লত পৰাস্ত কৰে। অধিনায়ক কিলিয়ন বাপ্পে খেলৰ ৭০ মিনিটত পেনাল্টিৰ সহায়ত ফ্ৰান্সৰ হৈ বিজয়সূচক গ'লটো দিয়ে। ফ্ৰান্স কোৱাৰ্টাৰ ফাইনেলত মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে মৰক্কোই হিউষ্টনত অনুষ্ঠিত প্ৰথমখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কানাডাক সহজে ৩-০ গ'লত পৰাভূত কৰে। মৰক্কোৰ অজিডিনে উনাহিয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰি দ্বিতীয়াৰ্ধত দুটা গ'ল দিয়ে। ছফিয়ান ৰহিমীয়ে খেলৰ অন্তিম সময়ত তৃতীয়টো গ'ল দিয়ে।

০০০০০

বিশ্বৰ বিজ্ঞান জগতত অনবদ্য অৱদান আগবঢ়োৱা গৱেষক, অসম সন্তান ড০ প্ৰশান্ত কুমাৰ কলিতাৰ আজি এখন গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। ধুবুৰী জিলাত জন্মগ্ৰহণ কৰা ড০ প্ৰশান্ত কুমাৰ কলিতাই জাপানৰ এছিয়ান ইনষ্টিটিউট অৱ টেকন'লজীৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ আমেৰিকাত গৱেষণা কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ আমেৰিকাৰ ইলিনয়িজ বিশ্ববিদ্যালয়ৰ কৃষি অভিযান্ত্ৰিক বিভাগৰ সহ-অধ্যাপকৰূপে যোগদান কৰে। ইয়াৰ পাছত তেওঁ আমেৰিকাৰ উপৰি কেইবাখনো দেশৰ বিশ্ববিদ্যালয়ত অতিথি অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল। গ্ল'বেল ৰিচাৰ্ছ মেথোড'লজী জাৰ্নেলৰ উপদেষ্টাকে ধৰি বিভিন্ন পদত অধিষ্ঠিত হোৱা গৱেষকগৰাকীৰ মৃত্যুত ধুবুৰী জিলাত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত